# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - -**

**------------------**

ৰাজ্যবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু পালন কৰে। বিভিন্ন সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত আজি জনসাধাৰণৰ ভিৰ পৰিলক্ষিত হয়। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়।

**শিৱসাগৰৰ** তলাতল ঘৰৰ বাকৰিত দিনজোৰা কাৰ্যসূচীৰে আজি মুকলি বিহু উদযাপন কৰা হয়। পুৰা বিহুৱান উত্তোলনকে ধৰি স্মৃতি তৰ্পণ, জ্যেষ্ঠজনক সেৱা, জলপান গ্ৰহণ, কণীযুঁজ আদি বিভিন্ন কাৰ্যসূচীৰে তলাতল ঘৰৰ বাকৰি জীপাল হৈ পৰে। অনুষ্ঠানত নিমাইজান হুঁচৰি দলকে ধৰি পাঁচযোৰা আমন্ত্ৰিত হুঁচৰি দল আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলে নৃত্য পৰিৱেশন কৰে।

সদৌ শিৱসাগৰ ছাত্ৰ সন্থাৰ উদ্যোগত আজি বৰ্ডিং খেলপথাৰতো দিনজোৰা কাৰ্যসূচীৰে মুকলি বিহুৰ আয়োজন কৰা হয়। অনুষ্ঠানত বহুকেইটা দলে বিহু, হুঁচৰিৰ লগতে অন্যান্য সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে।

মৰাণ জনগোষ্ঠীৰ লোকসকলে আজি গৰু বিহু পালন কৰিছে। মৰাণসকলে পৰম্পৰাগতভাৱে ব'হাগৰ প্ৰথম বুধবাৰে গৰু বিহু আৰু প্ৰথম বৃহস্পতিবাৰটোত মানুহ বিহু উদযাপন কৰে। ৰাজ্যৰ আন এটা চহকী জনগোষ্ঠী দেউৰীসকলেও আজি ব'হাগৰ প্ৰথম বুধবাৰে দেউৰী বিহু উদযাপন কৰিছে।

ooooo

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি ৰঙালী বিহুৰ তৃতীয় দিনাখন কেন্দ্ৰটোত দীৰ্ঘদিন সেৱা আগবঢ়াই যোৱা কেইবাগৰাকীও প্ৰাক্তন সতীৰ্থক একোখনকৈ ফুলাম গামোছাৰে বিহুৰ ওলগ জনায়। আজিৰ অনুষ্ঠানত প্ৰবীণ অনাতাঁৰ সম্প্ৰচাৰক আৰু শিল্পী হীৰেণ গোঁহাই, চৈয়দ ছাদুল্লা, অঞ্জনা বৰুৱা, ভূপেন গগৈ, ত্ৰিবেণী দাস গগৈ, ৰূপজ্যোতি দুৱৰা, লক্ষী দত্ত, তৰেন লেখাৰু, উৎপল ভট্টাচাৰ্য আৰু সুৰেশ হাতীমূৰীয়াই অংশগ্ৰহণ কৰি কেন্দ্ৰটোৰ বিভিন্ন অনুষ্ঠান সম্পৰ্কে মন্তব্য আগবঢ়ায় আৰু এইসমূহৰ মান উন্নত কৰাৰ বাবে কেইবাটাও বহুমূলীয়া পৰামৰ্শ দিয়ে। কেন্দ্ৰটোৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকা প্ৰমুখ্যে আকাশবাণী ডিব্ৰুগড়ত বৰ্তমান কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলে প্ৰাক্তন সতীৰ্থকেইগৰাকীক আন্তৰিকভাৱে আদৰণি জনায়।

ooooo

অসম সহ উত্তৰ পূৰ্বাঞ্চল চুবুৰীয়া প্ৰথম, এক্ট ইষ্ট আৰু বিমষ্টেকৰ দৰে নীতিসমূহৰ ক্ষেত্ৰত দেশৰ কেন্দ্ৰস্বৰূপ আৰু অনাগত সময়ত অঞ্চলটোৰ প্ৰাসংগিকতা বৃদ্ধি পাব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। আসন্ন উত্তৰ পূৱ বিনিয়োগকাৰী সন্মিলন ২০২৫ সম্পৰ্কে কালি ৰাষ্ট্ৰদূতসকলৰ এখন বৈঠকত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ড০ জয়শংকৰে উত্তৰ পূৱ উন্নয়ন মন্ত্ৰালয়ে আয়োজন কৰা এই সন্মিলনৰ জৰিয়তে অঞ্চলটোৰ বৈশিষ্টসমূহৰ অন্বেষণ কৰিবলৈ আৰু নিজৰ উদ্যোগৰ প্ৰসাৰ সাধন কৰিবলৈ আহ্বান জনায়।

ooooo

মণিপুৰ আৰক্ষীয়ে যোৱা ২৪ ঘণ্টাত থৌবাল, ইম্ফল পূব, ইম্ফল পশ্চিম, টেনৌপাল, বিষ্ণুপুৰ আৰু জিৰিবাম জিলাত অভিযান চলাই বিভিন্ন সন্ত্ৰাসবাদী সংগঠনৰ ১৪জন সদস্যক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ইম্ফল পূব আৰু থৌবাল জিলাৰ পৰা চাৰিজনকৈ, টেনৌপাল জিলাৰ পৰা ৩জন আৰু ইম্ফল পশ্চিম, বিষ্ণুপুৰ আৰু জিৰিবাম জিলাৰ পৰা একোজনকৈ সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত সন্ত্ৰাসবাদী কেইজন কে চি পি, ইউ এন এল এফ, প্ৰি-পাক আৰু চোৰেপা সংগঠনৰ সদস্য বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে সন্ত্ৰাসবাদীকেইজনৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ, গুলীবাৰুদ, নগদ ধন আৰু আপত্তিজনক নথিপত্ৰ উদ্ধাৰ কৰিছে।

০০০০০

অসম আৰু মিজোৰামৰ মাজৰ ১৬৪ দশমিক ৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্তৰ বিবাদ নিষ্পত্তিৰ বাবে অহা ২৫ এপ্ৰিলত গুৱাহাটীত দুয়ো ৰাজ্যৰ মাজত বিষয়া পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব। মিজোৰামে গৃহ সচিবৰ নেতৃত্বত এটা সাতজনীয়া দল এই আলোচনালৈ প্ৰেৰণ কৰিব। ইয়াৰ পূৰ্বে যোৱা ৯ আগষ্টত আইজলত দুয়োখন ৰাজ্যৰ মাজত মন্ত্ৰী পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হৈছিল আৰু এই আলোচনাত দুয়ো পক্ষই বিবদমান অঞ্চলত শান্তি-সুস্থিৰতা বৰ্তাই ৰখাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল।

০০০০০

প্ৰাক্তন প্ৰশাসনিক বিষয়া তথা এসময়ৰ জনপ্ৰিয় গায়ক প্ৰদীপ কাকতিৰ আজি দেহাৱসান ঘটে। ১৯৭৭ চনতে প্ৰশাসনিক সেৱাত যোগদান কৰা প্ৰয়াত কাকতিয়ে ৰাজ্যৰ বিভিন্ন ঠাইত সেৱা আগবঢ়াই নলবাৰীৰ অতিৰিক্ত আয়ুক্ত হিচাপে যোৱা ২০০০ চনত অৱসৰ গ্ৰহণ কৰিছিল। তেওঁৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ। প্ৰয়াত কাকতিৰ গীতসমূহ সপ্তম-অষ্টম দশকত আকাশবাণী গুৱাহাটীৰ গীতিমালিকা অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হবলগীয়া এখন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি পঞ্জাব কিংছে কলকাতা নাইট ৰাইডাৰ্ছক ১৬ ৰাণত পৰাস্ত কৰে। খেলখনত কলকাতাই ১১২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে পাঞ্জাবে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ কৰিবলৈ সমৰ্থ হয়।

০০০০০

সমাপ্ত